অসম আদিত্য

▢ অসম আদিত্য, ডিব্ৰুগড় ▢ দেওবাৰ, ৮ মাৰ্চ, ২০২৬ ▢ ২৩ ফাগুন, ১৯৪৭ শক ▢

# আজি কানৈ কলেজত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস

**ষ্টাফ ৰিপৰ্টাৰ, ৭ মাৰ্চ ঃ** ঐতিহাসিক ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) (চমুকৈ কানৈ মহাবিদ্যালয়) আৰু ইউনেস্ক' এছ'চিয়েশ্যন, গুৱাহাটী, মহিয়সী সেউজী সাহিত্য মঞ্চ ডিব্ৰুগড় জিলা, কানৈ মহাবিদ্যালয়ৰ ৰুক্মিণী দেৱী কানৈ ছাত্ৰী নিৱাসৰ উদ্যোগত কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত কাইলৈ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদ্‌যাপন কৰা হ'ব। বিয়লি ৩ বজাত অনুষ্ঠিত হ'বলগীয়া এই দিৱসত উদ্দেশ্য ব্যাখ্যা কৰিব ইউনেস্ক' এছ'চিয়েশ্যনৰ সঞ্চালক প্ৰধান ড° অশ্বিনী শৰ্মাই। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰিবলগীয়া অনুষ্ঠানটি উদ্বোধন কৰিব কটন বিশ্ববিদ্যালয়ৰ মনোবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ডিম্পী মহন্তই। অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° পল্লৱী ডেকা বুজৰবৰুৱা। মননশীল অনুষ্ঠানটিত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰৰ লগতে বিশিষ্ট সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈ উপস্থিত থাকিব। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অনৱদ্য বৰঙনিৰ বাবে চাৰিগৰাকী মহিলাক সন্মানিত কৰা হ'ব। কানৈ মহাবিদ্যালয়ৰ অধ্যাপিকা ড° নিৰ্মালী পেগুক 'উদ্যমী মহিলা বঁটা', বিশিষ্ট সমাজকৰ্মী ইলা লাচনক 'উদ্যোগী মহিলা বঁটা'ৰে সন্মানীত কৰা হ'ব। আনহাতে, কানৈ মহাবিদ্যালয়ৰ দুগৰাকী ছাত্ৰী ক্ৰমে ভাৰ্গী গগৈক 'অগ্নি শিখা যুৱ বঁটা', নিভা লাহনক 'সৃজনী-শ্ৰী যুৱ বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানটিত মহাবিদ্যালয়খনৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে ডিব্ৰুগড় চহৰৰ বহুকেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকিব। উদ্যোক্তা সমিতিয়ে সমূহ শুভাকাংক্ষী ৰাইজৰ উপস্থিতি কামনা কৰিছে।

**বিজ্ঞাপন সেৱা**

'অসম আদিত্য'ত Classified বা Display বিজ্ঞাপন প্ৰকাশৰ বাবে

ed: 07-03-2026

ender)

re invited from
der Dibrugarh
1st April 2026

ers shall have to
er.

| Remarks |
|---|
| e Side Parking |
| e Side Parking |
| her than HMV |

কৰি দিয়
উদ্ধাৰৰ
গৈছিল।
খিৰিকী
আকণমা
সকলো

**প্ৰতিবেদ**
শ্বহীদ নগ
বলিষ্ঠ নে
গভীৰ শে
সাহসিকত
সক্ৰিয় ভূ
বয়সত অ
ভোগেশ্বৰ
শক্তিশালী
তেওঁৰ ত্য
অঞ্চলটো
হৈ আছে
ঢেকীয়াজ
সামাজিক
যায়। সদৌ